# প্ৰাকশংকৰী যুগ

ড০ চন্দনা ডেকা
অসমীয়া বিভাগ,
ড০ বি.কু.বি. মহাবিদ্যালয়,পুৰণিগুদাম

# প্ৰাকশংকৰী যুগঃ

❖ খ্ৰীষ্টীয় চতুৰ্দশ শতিকাত প্ৰাকশংকৰী যুগত কেইবাজনো কবিৰ উদ্ভৱ হয়–

১) হেম সৰস্বতী

২) ৰুদ্ৰ কন্দলী

৩) হৰিবৰ বিপ্ৰ

৪) কবিৰত্ন সৰস্বতী

৫) মাধৱ কন্দলী

**হেম সৰস্বতীঃ**

- *প্ৰহ্লাদ চৰিত্ৰ*, *হৰগৌৰী সংবাদ* ৰচনা কৰে।
- কমতাধিপতি দুৰ্লভনাৰায়ণৰ ৰাজ্যত পৃষ্ঠপোষকতা লাভ কৰে।
- *প্ৰহ্লাদ চৰিত্ৰ*ত দানৱৰাজ হিৰণ্যকশিপুৰ বিষ্ণুভক্ত প্ৰহ্লাদক কৰা অত্যাচাৰ আৰু নৰসিংহৰূপী বিষ্ণুৰ হাতত হিৰণ্যকশিপু বধৰ বৰ্ণনা পোৱা যায়।
- *হৰগৌৰী সংবাদ*ত তাৰকাসুৰৰ অত্যাচাৰ, শিৱৰ তপস্যা, মদন ভস্ম, হৰ–পাৰ্বতীৰ বিবাহ, কাৰ্তিকৰ জন্মৰ বৰ্ণনা পোৱা যায়।

**ৰুদ্ৰ কন্দলীঃ**

- ৰুদ্ৰ কন্দলী শ্ৰীমন্ত তাম্ৰধ্বজৰ পৰা পৃষ্ঠপোষকতা লাভ কৰে।

- ৰুদ্ৰ কন্দলীয়ে দ্ৰোণপৰ্বৰ অন্তৰ্গত জয়দ্ৰথ নামৰ উপপৰ্বৰ ভিতৰুৱা শিনিপুত্ৰ সাত্যকিৰ যুদ্ধযাত্ৰা আৰু বীৰত্বব্যঞ্জক বৰ্ণনাখিনি অনুবাদ কৰে।

## **হৰিবৰ বিপ্ৰঃ**

- ❖ হৰিবৰ বিপ্ৰই কমতাধিপতি দুৰ্লভনাৰায়ণৰ ৰাজ্যত পৃষ্ঠপোষকতা লাভ কৰে।
- ❖ হৰিবৰ বিপ্ৰই *বব্ৰুবাহনৰ যুদ্ধ*, *লৱ-কুশৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধ* কাব্য ৰচনা কৰে।
- ❖ দুয়োখন কাব্যৰ বিষয়বস্তু পিতা-পুত্ৰৰ ৰণ আৰু পুত্ৰৰ হাতত পিতৃৰ পৰাভৱ।

## কবিৰত্ন সৰস্বতীঃ

- ✓ কবিৰত্ন সৰস্বতীয়ে কমতাধিপতি দুৰ্লভনাৰায়ণৰ পুত্ৰ ইন্দ্ৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰে।
- ✓ কবিৰত্ন সৰস্বতীয়ে মহাভাৰতৰ দ্ৰোণপৰ্বৰ অন্তৰ্গত জয়দ্ৰথ বধৰ কাহিনীটো কাব্য আকাৰে বৰ্ণনা কৰে।

**মাধৱ কন্দলীঃ**

- মাধৱ কন্দলী প্ৰাচীন অসমৰ পূব মধ্যাঞ্চলৰ অধিপতি বৰাহী ৰজা মহামাণিক্যৰ ৰাজকবি আছিল।

- মাধৱ কন্দলীয়ে বাল্মীকিৰ *ৰামায়ণ*খন অসমীয়া ভাষালৈ অনুবাদ কৰে।

- উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাত ৰচিত *ৰামায়ণ*ৰ ভিতৰত মাধৱ কন্দলীৰ *ৰামায়ণ*খনেই প্ৰাচীনতম।

- দেৱজিত নামৰ এখন কাব্যত মাধৱ কন্দলীৰ ভণিতা পোৱা যায়।

……………………………………….